**2020/TDC(CBCS)/ODD/SEM/**
**ASMAEC–101T/404**

**TDC (CBCS) Odd Semester Exam., 2020**
**held in March, 2021**

# ASSAMESE

**( 1st Semester )**

Course No. : ASMAEC–101T

**( যোগাযোগৰ ভাষা ৰূপে অসমীয়া )**

*Full Marks* : 50
*Pass Marks* : 20

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## SECTION—A

তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া (যি কোনো **পোন্ধৰটা**) : ১×১৫=১৫

১। যোগাযোগৰ সৰ্বাধিক ব্যৱহৃত মাধ্যমটো কি?

২। ''জনসম্পৰ্ক ৰক্ষাৰ কাৰ্যটোৱে সম্প্ৰতি এক বৃত্তি (profession)ৰ ৰূপত প্ৰকাশ আৰু বিকাশ লাভ কৰিছে।'' কথাটো সচাঁনে?

৩। মৌখিক যোগাযোগৰ এটা বিভাগৰ নাম উল্লেখ কৰা।





৪। ''এটা মাত্ৰ শব্দই মানুহক জ্ঞানী প্ৰতিপন্ন কৰিব পাৰে আৰু ঠিক তাৰ বিপৰীতে একোটা শব্দৰ প্ৰয়োগে মানুহক মূৰ্খ প্ৰতিপন্নও কৰিব পাৰে।'' কথাটো কোনে কৈছিল?

৫। বক্তাৰ বক্তৃতা উপস্থাপনৰ এটা ধৰণৰ নাম উল্লেখ কৰা।

৬। সামূহিক যোগাযোগ (Group communication)ৰ যি কোনো এটা উদাহৰণ দাঙি ধৰা।

৭। গণমাধ্যম বুলিলে কি বুজা?

৮। 'বাতৰি কাকত' গণমাধ্যমৰ অন্তৰ্গত হয়নে?

৯। বাতৰি আদি পৰিবেশন কৰা দূৰ-দৰ্শনৰ এটি অসমীয়া চেনেলৰ নাম লিখা।

১০। গণমাধ্যমৰ যি কোনো এটা প্ৰকাৰৰ নাম উল্লেখ কৰা।

১১। ছপা মাধ্যমৰ এটা উদাহৰণ দাঙি ধৰা।

১২। দৰ্শন আৰু শ্ৰৱণৰ জৰিয়তে কি গণমাধ্যমে জনসাধাৰণৰ মাজত ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছে?

১৩। জনপ্ৰিয় অসমীয়া বাতৰিকাকত 'দৈনিক অসম' প্ৰথমে কোন চনত প্ৰকাশ পায়?

১৪। বিশ্বৰ প্ৰথম ছপা হৈ প্ৰকাশ পোৱা গ্ৰন্থখনৰ নাম কি?

১৫। চীন দেশত প্ৰচলিত একমাত্ৰ ইংৰাজী বাতৰিকাকতখনৰ নাম কি?

১৬। ভাৰতবৰ্ষত ৰেডিঅ’ আৱিষ্কাৰক বুলি কোনগৰাকী ব্যক্তিক জনা যায়?

১৭। গুৱাহাটী দূৰ-দৰ্শন কেন্দ্ৰৰ পৰা সৰ্ব প্ৰথমে সংবাদ প্ৰচাৰ কেতিয়াৰ পৰা আৰম্ভ হয়?

১৮। BBC-ৰ সম্পূৰ্ণ নামটো ইংৰাজীত লিখা।

১৯। পিতৃ-মাতৃলৈ পত্ৰ লিখোঁতে কেনেদৰে সম্বোধন কৰা হয়?

২০। চিঠি-পত্ৰ লিখাৰ ক্ষেত্ৰত চিঠিৰ ভাষা কেনেধৰণৰ হোৱা উচিত?

২১। বিষয়-বস্তু অনুসৰি চিত্ৰ-পত্ৰক কেইটা ভাগত ভাগ কৰা হৈছে?

২২। আৱেদনপত্ৰক আৰু কি নামেৰে অভিহিত কৰা হয়?

২৩। নিমন্ত্ৰণী পত্ৰ লিখোঁতে সামৰণিত ‘ইতি’ বুলি কেনেদৰে সামৰা হয়?

২৪। বিষয়-বস্তু অনুসৰি চিঠি-পত্ৰ কেই প্ৰকাৰৰ?

২৫। অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি (বৰ্ণ) কেইটা?

২৬। ‘ঐ’ আখৰটোত কি কি স্বৰধ্বনি যুক্ত হৈ আছে?





২৭। ভাৱবোধক যতি (!) এই চিনটো ব্যৱহাৰ কৰি এটি বাক্য লিখা।

২৮। অসমীয়া ভাষাত ‘ণ’ আৰু ‘ন’ ধ্বনি দুটাৰ উচ্চাৰণ কিদৰে হয়?

২৯। ‘গল’ আৰু ‘গ’ল’ শব্দ দুটাৰ অৰ্থ লিখা।

৩০। উচ্চাৰণ আৰু আখৰজোঁটনিৰ সমস্যা নথকা ভাষা এটাৰ নাম লিখা।

## SECTION—B

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো **পাঁচটা**) : ২×৫=১০

৩১। জনসম্পৰ্ক ৰক্ষীজনে নিজৰ কাৰ্যত সফলতা অৰ্জনৰ বাবে তেওঁৰ কি দুটা গুণৰ অতি আৱশ্যক?

৩২। যোগাযোগৰ ভাষা-ভিন্ন মাধ্যম দুটামান উল্লেখ কৰা।

৩৩। গণমাধ্যমৰ যি কোনো দুটা কাৰ্য উল্লেখ কৰা।

৩৪। শ্ৰব্য মাধ্যম হিচাপে ৰেডিঅ’ৰ দুটা বিশেষত্ব লিখা।

৩৫। অসমৰ যি কোনো দুখন জনপ্ৰিয় অসমীয়া বাতৰিকাকতৰ নাম লিখা।

৩৬। ‘সংগীতালেখ্য’ বুলিলে কি বুজা?

৩৭। চিঠি-পত্ৰ লিখাৰ যি কোনো দুটা নিয়মৰ উল্লেখ কৰা।

৩৮। বিদ্যালয়ত অনুপস্থিত থাকিলে কাৰ জৰিয়তে, কালৈ আবেদন কৰিব লাগে?

৩৯। তলৰ শব্দ দুটাৰ বৰ্ণবিশ্লেষণ কৰি দেখুওৱা :

'মুহূৰ্ত' আৰু 'কিতাপ'

৪০। 'হাত লৰ' আৰু 'হাত দীঘল' খণ্ডবাক্য দুটাৰ অৰ্থ লিখি বাক্য ৰচনা কৰা।

## SECTION—C

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো **পাঁচটা**) : ৫×৫=২৫

৪১। যোগাযোগ কাৰ্যৰ সফলতাৰ চৰ্তকেইটা সম্পৰ্কে চমুকৈ লিখা।

৪২। জনসম্পৰ্কৰ দৃঢ় ভেটি তৈয়াৰ কৰি তাত পাৰস্পৰিক বুজাবুজিৰ ভব্য-ভৱন নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যোগাযোগৰ ভূমিকা চমুকৈ আলোচনা কৰা।

৪৩। যোগাযোগৰ ক্ষেত্ৰত আধুনিক গণমাধ্যমসমূহৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখা।

৪৪। যোগাযোগৰ মাধ্যম হিচাপে জনসাধাৰণৰ মাজত 'দূৰদৰ্শন'ৰ প্ৰভাৱ কিদৰে পৰিলক্ষিত হৈছে, আলোচনা কৰা।

৪৫। বৈদ্যুতিন মাধ্যমত সাংবাদিকে সংবাদ পৰিবেশনৰ সময়ত মানি চলিবলাগীয়া নীতিসমূহৰ বিষয়ে চমুকৈ লিখা।





৪৬। তোমালোকৰ অঞ্চলৰ বাটপথৰ দুৰৱস্থাৰ কথা বিৱৰি অসমৰ মুখ্যমন্ত্ৰীলৈ এখন মুকলি চিঠি লিখা। (ঠাইৰ নাম 'জলেশ্বৰ' জিলা 'গোৱালপাৰা' আৰু তোমাৰ নাম 'ভাস্কৰ' বুলি উল্লেখ কৰিবা)

৪৭। শিক্ষকৰ পদত নিযুক্তিৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ এখন আবেদন পত্ৰ লিখা।

৪৮। কন্যাৰ বিবাহৰ নিমন্ত্ৰণী পত্ৰ কেনেদৰে লিখা হয়, তাৰ আৰ্হি দাঙি ধৰা।

৪৯। 'ণত্ব বিধি'ৰ চাৰিটা নিয়ম উল্লেখ কৰা। অসমীয়া ভাষাত ণত্ববিধিৰ প্ৰয়োজন আছে বুলি ভাবানে?

৫০। অসমীয়া ভাষাৰ আখৰ জোঁটনি সমস্যা দূৰ কৰিবলৈ যি কোনো এটা সংস্থাই লোৱা উদ্যোগৰ বিষয়ে চমুকৈ লিখা।

★ ★ ★